**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-SEP-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

——————————————

সেৱা সপ্তাহৰ অংশ হিচাপে ৰাজ্যৰ ভিন ভিন ঠাইত স্বাস্থ্য শিবিৰ অনুষ্ঠিত হৈছে। ৰাজ্য চৰকাৰে এই কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি ১৮ বছৰ তলৰ ল'ৰা-ছোৱালীৰ বাবে চিকিৎসা শিবিৰ মুকলি কৰিছে। এই শিবিৰত ৫০টাতকৈ অধিক ৰোগৰ বিনামূলীয়া চিনাক্তকৰণ আৰু চিকিৎসাৰ ব্যৱস্থা কৰা হৈছে। ৰাজ্যৰ আটাইকেইটা বিধানসভা সমষ্টিতে কালি এই শিবিৰ মুকলি কৰা হয়। ডিব্ৰুগড়ৰ **চাবুৱাৰ** ডি ডি আৰ মহাবিদ্যালয়ত এই উপলক্ষে আয়োজিত কাৰ্যসূচীত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে অংশগ্ৰহণ কৰে। শ্ৰী সোণোৱালে স্বাস্থ্য শিবিৰ পৰিদৰ্শন কৰি স্বাস্থ্য কৰ্মীসকলৰ সৈতে মত বিনিময় কৰে। স্বাস্থ্য পৰীক্ষা আৰু চিকিৎসাৰ অন্যান্য সুবিধাসমূহ থকা এই স্বাস্থ্য শিবিৰে সকলো স্তৰৰ ৰাইজক, বিশেষকৈ মহিলা আৰু শিশুসকলক উপকৃত কৰিব বুলি শ্ৰী সোণোৱালে প্ৰকাশ কৰে।

**বাইট (সৰ্বানন্দ সোণোৱাল)**

সেৱা পৰ্বৰ লগত সংগতি ৰাখি ডিব্ৰুগড়ৰ খোৱাং মহাবিদ্যালয়ত কালি ৰক্তদান শিবিৰ তথা এই সন্দৰ্ভত সজাগতা সভা অনুষ্ঠিত হয়। এই শিবিৰত শিক্ষক, শিক্ষাৰ্থী আৰু অন্যান্য কৰ্মচাৰীকে ধৰি ৫২ জন লোকে ৰক্তদান কৰে। শিৱসাগৰ জিলাত বিধানসভা সমষ্টিভিত্তিত বৃহৎ স্বাস্থ্য মেলাৰ আয়োজন সন্দৰ্ভত কালি জিলাখনৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকে এখন সংবাদমেলৰ আয়োজন কৰে। জিলাখনৰ ডিমৌ ৰাজহুৱা খেল-পথাৰত আজি আৰু নাজিৰাৰ চকীমুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অহা ২৬ ছেপ্তেম্বৰত এই শিবিৰ অনুষ্ঠিত হ'ব বুলি যুটীয়া স্বাস্থ্যসেৱা সঞ্চালকগৰাকীয়ে প্ৰকাশ কৰে।

**হোজাই** জিলাতো কালি শিক্ষানুষ্ঠানসমূহত ছাত্ৰ-ছাত্ৰীসকলৰ স্বাস্থ্য পৰীক্ষাৰ বাবে স্বাস্থ্য মেলা অনুষ্ঠিত হয়।

০০০০০০

গাহৰিৰ শৰীৰত হোৱা আফ্ৰিকান ছোৱাইন ফিভাৰ ৰোগৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে কালি শিৱসাগৰত জিলা প্ৰশাসনৰ এখন পৰ্যালোচনা সভা অনুষ্ঠিত হয়। সভাত বৰ্তমান জিলা পশু পালন আৰু পশু চিকিৎসা বিভাগে বিভিন্ন পশু চিকিৎসালয় আৰু পশু চিকিৎসা উপকেন্দ্ৰৰ জৰিয়তে গাহৰি পালকসকলৰ মাজত এই ৰোগৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে গ্ৰহণ কৰা সজাগতা কাৰ্যসূচী সন্দৰ্ভত আলোচনা কৰা হয়। সভাত জিলাখনৰ গাহৰি মাংস বিক্ৰেতাসকলে যাতে কোনো কাৰণতে ৰোগীয়া গাহৰিৰ মাংস বজাৰত বিক্ৰী কৰিব নোৱাৰে তাৰ বাবে স্থানীয় প্ৰশাসন, আৰক্ষীৰ সহযোগত পঞ্চায়ত প্ৰতিনিধি, গাঁও প্ৰধান আৰু গাঁওৰক্ষী বাহিনীক সজাগ হোৱাৰ পৰামৰ্শ আগবঢ়োৱা হয়।

০০০০০০

শিৱসাগৰৰ জিলা আয়ুক্ত আয়ুষ গৰ্গে কালি জিলাখনত ৰাজ্য চৰকাৰৰ অসম মালা আঁচনিৰ অধীনত নিৰ্মাণ কাৰ্য চলি থকা নাজিৰা আলি আৰু ধোদৰ আলি পথছোৱা পৰিদৰ্শন কৰে। পৰিদৰ্শনকালত আয়ুক্তগৰাকীয়ে প্ৰয়োজনীয় ভূমি অধিগ্ৰহণৰ লগতে নিৰ্মাণ কাৰ্যৰ সমস্যা সন্দৰ্ভত আলোচনা কৰে। এই পৰিদৰ্শনকালত আয়ুক্তগৰাকীৰ লগত অতিৰিক্ত জিলা আয়ুক্ত গীতালি বৰুৱা, নাজিৰাৰ সম-জিলা আয়ুক্ত প্ৰতিভা মেশ্ৰাম, সহকাৰী আয়ুক্ত কে এন চন্দনা জাহ্নবী আদিও উপস্থিত থাকে।

০০০০০০

গোলাঘাট জিলাৰ শেহতীয়া বান পৰিস্থিতিৰ বাবে কাইলৈৰ পৰা হ'বলগীয়া ছমহীয়া পৰীক্ষাৰ দিন পিছুৱাই দিয়া হৈছে। গোলাঘাট জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকে এই সন্দৰ্ভত অধিসূচনা জাৰি কৰি নৱম আৰু দশম শ্ৰেণীৰ ছমহীয়া পৰীক্ষা স্থগিত ৰখাৰ বিষয়ে ঘোষণা কৰিছে। একেদৰে জিলাখনৰ অন্তৰ্গত প্ৰাথমিক বিদ্যালয়ৰ পৰীক্ষাসমূহো পিছুৱাই দিয়া হৈছে। জিলা আয়ুক্তৰ নিৰ্দেশনা ভিত্তিত এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

০০০০০০

মৰাণ জনগোষ্ঠীৰ জনজাতিকৰণৰ দাবীত যোৱা ১৫ ছেপ্তেম্বৰৰ পৰা চলি থকা অৰ্থনৈতিক পথ অৱৰোধৰ ফলত উজনি অসমত  পৰিস্থিতি স্থবিৰ হৈ পৰিছে। পথ অৱৰোধৰ ফলত গেছ, তেল আৰু ইন্ধন পৰিবাহী ভালেসংখ্যক টেংকাৰ আৱদ্ধ হৈ পৰিছে। প্ৰতিবাদৰ ফলত অইল ইণ্ডিয়াৰ উৎপাদন আৰু পৰিবহণ প্ৰায় স্থবিৰ হৈ পৰাত বহু পেট্ৰল পাম্পো বন্ধ হৈ পৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত ডিব্ৰুগড় জিলাৰ তেল ডিপোসমূহত কালি আবেলিৰ পৰা মাজনিশালৈ গ্ৰাহকৰ ভিৰ পৰিলক্ষিত হয়। বহু ঠাইত ৰন্ধন গেছৰো নাটনি হৈছে বুলি আমাৰ সংবাদদাতাই জনাইছে।

০০০০০০

আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন বাতৰি পঢ়োঁতা গোলাপ শইকীয়াৰ পঞ্চম মৃত্যু বাৰ্ষিকী উপলক্ষে অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অসমীয়াত অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। ইচ্ছুক প্ৰতিযোগীয়ে সাম্প্ৰতিক ঘটনাৱলী সম্পৰ্কীয় ১ মিনিটৰ বাতৰিৰ অ'ডিঅ' মোবাইল ফোন অথবা অডিঅ' ৰেকৰ্ডাৰত ৰেকৰ্ড কৰি ২৪ ছেপ্তেম্বৰৰ পূৰ্বে এম-পি থ্ৰী ৰূপত হোৱাট্‌ছএপযোগে পঠিয়াব লাগিব। হোৱাট্‌ছএপ নম্বৰকে ধৰি প্ৰতিযোগিতাৰ সবিশেষ জানিবলৈ ইচ্ছুক প্ৰতিযোগীয়ে আমাৰ ফেচবুক পেজ এ আই আৰ নিউজ গুৱাহাটী চাব পাৰে।

০০০০০০

সমাপ্ত